**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-10-2024
**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

অসমৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া আসন্ন উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিনা ২৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ দাখিল কৰে। আমাৰ বাতৰি যুগুত কৰা পৰলৈকে বিহালী বিধানসভা সমষ্টিৰ কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী জয়ন্ত বৰাই মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত প্ৰাৰ্থীগৰাকীক কংগ্ৰেছৰ ৰাজ্যিক সমিতিৰ শীৰ্ষ নেতৃত্বৰ লগতে সাংসদ গৌৰৱ গগৈ উপস্থিত থাকে। আনহাতে ছিদলী বিধানসভা সমষ্টিৰ বি পি এফৰ প্ৰাৰ্থী শুদ্ধ কুমাৰ বসুমতাৰীয়ে আজি বি পি এফ প্ৰধান হাগ্ৰামা মহিলাৰীৰ উপস্থিতিত মনোনয়ন-পত্ৰ দাখিল কৰে। বঙাইগাঁৱৰ অগপৰ প্ৰাৰ্থী দীপ্তিময়ী চৌধুৰীয়েও সমৰ্থকৰ সৈতে মনোনয়ন পত্ৰ দাখিল কৰে। সমষ্টিটোৰ কংগ্ৰেছৰ প্ৰাৰ্থী ব্ৰজেন জিৎ সিংহয়ো আজি মনোনয়ন দাখিল কৰে।

ইপিনে, আম আদমী পাৰ্টীৰ প্ৰাৰ্থী অনন্ত গগৈয়ে বিহালীত আৰু নুৰুল আমীন চৌধুৰীয়ে চামগুৰিত মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন দাখিলপৰ্বত নুৰুল আমীন চৌধুৰীৰ লগত আপৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ দলীয় নেতা উপস্থিত থাকে। অনন্ত গগৈৰ সৈতেও দলৰ ৰাষ্ট্ৰীয় তত্ত্বাৱধায়ক ৰাজেশ শৰ্মাকে ধৰি ৰাজ্যিক পৰ্যায়ৰ কেইবাজনো নেতা উপস্থিত থাকে।

০০০০০০০

অষ্টম চলচিত্ৰম ৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱ-২০২৪ কাইলৈ আৰু পৰহিলৈ গুৱাহাটীৰ জ্যোতি চিত্ৰবনত অনুষ্ঠিত হ'ব। এই মহোৎসৱত ৫০ খন তথ্যচিত্ৰ আৰু চুটি ছবিৰ প্ৰদৰ্শন কৰা হ'ব। প্ৰতিযোগিতা আৰু প্ৰদৰ্শনী-- এই দুয়োটা শাখাত ছবিসমূহ প্ৰদৰ্শন কৰা হ'ব। বিশ্ব সংবাদকেন্দ্ৰ, অসমৰ সহযোগী অনুষ্ঠান চলচিত্ৰমৰ উদ্যোগত আয়োজিত এই মহোৎসৱৰ মূল বিষয়বস্তু হৈছে- **আমাৰ ঐতিহ্য আমাৰ গৌৰৱ**। মূল বিষয়বস্তুৰ উপৰি মহোৎসৱত ভূমি আৰু মানুহ, পৰ্যটন, কলা, হস্তশিল্প আৰু বস্ত্ৰ, পাণ্ডুলিপি আৰু পাণ্ডুলিপি চিত্ৰাংকন, চিত্ৰাংকন আৰু কাঠত খোদাই কৰা কলা, সংগীত আৰু সংগীতজ্ঞ, সাংস্কৃতিক উৎসৱ, স্মৃতি সৌধ আৰু ঐতিহ্যক্ষেত্ৰ, সমাজ সংস্কাৰক আৰু আগৰণুৱাসকলক, ক্ৰীড়া, চাহ আৰু তৈল উদ্যোগ, সংস্কৃতি আৰু মূল্যবোধ, সামাজিক সজাগতা, পৰিয়াল ব্যৱস্থা, মহিলা, পৰিৱেশ আদি বিষয়কো প্ৰাধান্য দিয়া হৈছে। চলচ্চিত্ৰৰ জৰিয়তে ৰাষ্ট্ৰীয়তাবাদক উৎসাহিত কৰাৰ লগতে ভাৰতৰ কেইবা হাজাৰবৰ্ষ পূৰণি সভ্যতা, সংস্কৃতি আৰু ঐতিহ্যক শ্ৰদ্ধা জ্ঞাপনৰ উদ্দেশ্যে দুদিনীয়াকৈ এই মহোৎসৱৰ আয়োজন কৰা হৈছে। কাইলৈ এই মহোৎসৱ কটন বিশ্ববিদ্যালয়ৰ উপচাৰ্য অধ্যাপক ৰমেশ চন্দ্ৰ ডেকাই উদ্বোধন কৰিব। অনুষ্ঠানত সংগীত শিল্পী তৰালী শৰ্মা উপস্থিত থাকিব। প্ৰবাল খাউণ্ড পৰিচালিত আৰু গোপাল জালানৰ লগতে ধ্ৰুৱজ্যোতি কাকতি প্ৰযোজিত দ্যা লাষ্ট জেনেৰেচন ছবিৰে মহোৎসৱৰ উদ্বোধন কৰা হ'ব। পুৱা ১০

বজাৰ পৰা সন্ধিয়া ৬ বজালৈ মহোৎসৱৰ দ্বাৰ মুকলি থাকিব। অষ্টম চলচিত্ৰম ৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱ-২০২৪ৰ উপ-সভাপতি প্ৰবাল খাউণ্ডে মহোৎসৱৰ কাৰ্যসূচী সন্দৰ্ভত এইদৰে কয়—-

*(বাইট)*

০০০০০০০

ৰাজ্যিক কৰ্মচাৰীসকলৰ বাবে দীপাৱলী উদযাপন বিশেষ কৰি তুলিবলৈ ৰাজ্য চৰকাৰে ২৮ অক্টোবৰৰ পৰা তেওঁলোকৰ দৰমহা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্ট যোগে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে উল্লেখ কৰি আগতীয়াকৈ দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০

নৰ্থ ইষ্ট ইণ্ডিয়া চাইণ্টিফিক এণ্ড এণ্টাৰপ্ৰেনিউৰিয়েল ডাইস্পোৰা চমুকৈ NEISED, National Institute of Electronics & Information technology, Guwahati চমুকৈ NIELIT, VSLI society of India আৰু জাগীৰোড মহাবিদ্যালয়ৰ যৌথ উদ্যোগত আজি জাগীৰোডৰ চেমি কনডাক্টৰ বিষয়ক এখন কৰ্মশালা অনুষ্ঠিত হয়। জাগীৰোডৰ বহুমুখী প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা অৰ্ধপৰিবাহী পৰিবেশ তন্ত্ৰ ঃ উত্তৰ পূৱ ভাৰতৰ বাবে সজাগতা আৰু সুযোগ শীৰ্ষক কৰ্মশালাত বিভিন্ন উদ্যোগ প্ৰতিষ্ঠানৰ লগতে বিদেশৰ কেইবাগৰাকীও উদ্যোগপতি আৰু বিশেষজ্ঞই অংশগ্ৰহণ কৰে। জাগীৰোডত স্থাপন হʼবলগীয়া এই প্ৰকল্পত অসমৰ ছাত্ৰ-ছাত্ৰীয়ে কেনে ধৰণে সুবিধা লাভ কৰিব সেই উদ্দেশ্যে সজাগতা সৃষ্টিৰ লক্ষ্যৰে আয়োজন কৰা কৰ্মশালাখনত বিভিন্ন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ প্ৰায় ৫ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে বিশেষজ্ঞসকলৰ সৈতে মত বিনিময় কৰে।

০০০০০০০

**সমাপ্ত**